FACULTY HIGHER SCONDARY SCHOOL

HALF YEARLY SAMPLE PAPER---2019

CLASS---X

SUBJECT---ASSAMESE

Time-_3hrs F•M•_80

(ক-অংশ )

১। তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা--

ভাৰভীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু । আৰ্য অনাৰ্য মংগোলীয় দ্ৰাবিড় এনে তৰহৰ বিভিন্ন সোঁত উপ-সোঁত লগলাগি ভাৰতীয় সংস্কৃতিৰ ৰচনা হৈছে। ইয়াৰ উপৰিও অতীজতে গ্ৰীক শক হুন আদি নানা মানৱপুঞ্জ চামে চামে ভাৰত ভূমিলৈ আহিছিল আৰু ইয়াত নিগাজীকৈ বাসভূমি বাছি লৈছিল ।পুৰণি ভাৰত বুৰঞ্জী যেনেকৈ অভিযানৰ বুৰঞ্জী তেনেকৈয়ে সমন্বয়ৰ বুৰঞ্জী ।ভাষাতত্ত্ব সামাজিক- ৰাজনৈতিক আদৰ্শ সাহিত্য শিল্পকলা দৰ্শন ইত্যাদি ক্ষেত্ৰত এক বিৰাট সমন্বয়ৰ সৃষ্টি হৈছে ।এই সমন্বয়ে ভাৰতীয় সংস্কৃতিৰ স্বৰূপ প্ৰকাশ কৰে । সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ। ইয়াৰ প্ৰবাহ বাধাহীন গতিৰ বোৱঁতী সুঁতি ।ই অতীজৰ পৰা একেৰাহে নিৰৱিচ্ছিন্নভাবে বৈ আহিছে। সমাজৰ ওপৰত প্ৰাকৃতিক পৰিবেষ্টনৰ সাঁচ পৰাটো স্বভাৱিক কথা ভাৰতীয় ভৌগোলিক জীৱন বৈচিত্ৰ্যময়। এফালে শুকান মৰুভূমি ;আনহাতে মৌচুমীৰ তাণ্ডৱ নৃত্য।এফালে পৰ্বতমালাৰ উচ্চ শিখৰ; আনফালে যোজন ব্যাপ্ত সমতল ভূমি। প্ৰাকৃতিক দৃশ্যাৱলীৰ পাৰ্থক্য জলবায়ুৰ পাৰ্থক্য জীৱনৰ গতিধাৰাৰ বৈচিত্ৰ্য ইত্যাদিৰ সৃষ্টিয়েই ভাৰতীয় জীৱন ।ভাৰতীয় মনে প্ৰাকৃতিক অসামঞ্জস্যক স্বীকাৰ কৰি লৈছে । ভাৰতীয় বিশাল ভূমিখণ্ডই একালত বাহিৰৰ ন ন মানৱপুঞ্জক আহ্বান জনাইছিল। এচিয়াৰ চৌদিশৰ পৰা অহা মানৱপুঞ্জৰ সোঁতে দেশ প্লাৱিত কৰিছিল। প্ৰত্যেকেই ব্যক্তিগত প্ৰতিভা অনুসৰি সংস্কৃতি ৰচনাত বৰঙণি যোগাইছিল। পণ্ডিত ৰাহুল সংস্কৃত্যায়নৰ `ফ্ৰম্ ভল্গা টু গংগা´ নামৰ কিতাপত এই সম্বন্ধে বহুল বৰ্ণনা কৰিছে।

সম্যক দৃষ্টিৰে চালে দেখা যায় ভাৰত বুৰঞ্জী হৈছে ৰাজ্যৰ উত্থান-পতন ভঙা -গঢ়াৰ সবিশেষ বুৰঞ্জী। ইটোৰ পাছত সিটো গোষ্ঠীৰ আক্ৰমণ বা অভিযান ইটো পৰিয়ালৰ পাচত সিটো পৰিয়ালৰ শাসনভাৰ গ্ৰহণ ইত্যাদি ঘটনাৰে ভাৰতৰ বুৰঞ্জী ভাৰাক্ৰান্ত ।তথাপি ভাৰতীয় সংস্কৃতিৰ মূল সুঁতি ক্ৰমবৰ্দ্ধমান সোঁতেৰে বৈ আছিল।

ক।ভাৰতীয় সংস্কৃতিৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে ? ২

খ।ভাৰতীয় সংস্কৃতিৰ মূল সম্পদ কি ? ২

গ।ভাৰতীয় ভৌগলিক জীৱন কেনেদৰে বৈচিত্ৰ্যময় ৰূপত প্ৰকাশ পাইছে ? ২

ঘ।ফ্ৰম ভল্গা টু গংগা গ্ৰন্থত কিহৰ বৰ্ণনা পোৱা যায় ? ২

ঙ। ভাৰতৰ বুৰঞ্জীত কিহৰ উত্থান-পতনৰ কাহিনী সন্নিবিষ্ট হৈছে ? ২

চ।ভাৰতীয় সংস্কৃতিৰ সাগৰ কেনেদৰে ৰচিত হৈছে ? ২

ছ।গ্ৰন্থৰ সমাৰ্থক শব্দ কি ? ১

জ।পুৰণি শব্দটোৰ বিপৰীত অৰ্থ কি ? ১

ঝ।তলত দিয়া শব্দটোৰ সন্ধি ভাঙা - ১

সংস্কৃতি

(খ-অংশ )

২। তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা ------৫

প্ৰখৰ ৰ'দ ক'তো পানী নাই কাউৰী এজনীৰ -পিয়াহ লাগিছে -আলিৰ দাঁতিত মাটিৰ কলহ তলিত পানী ঠোঁটৰে ঢুকি নাপায় সৰু শিলগুটি পানী মুখলৈ আহিল পানী পি উৰি গ'ল।

নাইবা

তলত দিয়া যি কোনো এখন ৰচনা লিখা----৫

ক।গণতন্ত্ৰ দিৱস। খ । বাতৰি কাকত

৩।তোমাৰ বিদ্যালয়ত পালন কৰা শিক্ষক দিৱসৰ দিনটোৰ বিষয়ে জনাই এখন প্ৰতিবেদন যুগুত কৰা---------৫

৪। তলত দিয়া যি কোনো এটা ফকৰা যোজনাৰ ভাবাৰ্থ বুজাই লিখা-------৫

ক। হাতীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাৱ । খ। চোৰ গলে বুদ্ধি বৰষুণ গ'লে জাপী ।

৫।তোমাৰ বান্ধৱী/বন্ধুলৈ ঈছপৰ সাধু কিতাপখন বিচাৰি এখন চিঠি লিখা-------৫

৬। বাক্য ৰচনা কৰা-----১×৫=৫

ঠেহ পাত তয়ামযা দেহামাৰ তলেতলে ফেৰপাত

(গ- অংশ )

৭।তলত দিয়া উপসৰ্গ কেইটাৰে এটাকৈ শব্দ লিখা----( যি কোনো দুটা ) ১×২=২

অধি অতি নি অভি

৮। হক আৰু হে অনুসৰ্গ ব্যৱহাৰ কৰি দুটা বাক্য ৰচনা লিখা--------১×২=২

৯।বিসৰ্গ সন্ধি কাক বোলে ? উদাহৰণ দি লিখা----২

১০।সন্ধি কৰা আৰু সন্ধি ভাঙা --( যি কোনো দুটা)

১×২=২

সংগতি উৎ+স্থাপন দুৰ্গম তিৰঃ+কাৰ

১১।বিপৰীত শব্দ লিখা --(যিকোনো দুটা) --১×২=২

বিৰহ কৃষ্ণ জটিল প্ৰস্থান

১২।লিংগ পৰিবৰ্তন কৰা--(যি কোনো দুটা)১×২=২

শৰ বোন্দা ডেকা আবু

১৩।ক্লীৱ লিংগ কাক বোলে ?উদাহৰণ দি লিখা।--২

১৪।এটা শব্দত প্ৰকাশ কৰা---১×২=২

ক।যি সহজতে জীণ নাযায়-------

খ। যাক বুজিব পাৰি------

১৫।বাক্য পৰিৰ্বতন কৰা ---১×৩=৩

ক।মনোযোগেৰে পঢ়িলে পৰীক্ষাত প্ৰথম স্থান পাবা।

খ ।মই যেতিয়া পঢ়ো সি তেতিয়া খেলে ।

গ ।নিয়ম মতে ব্যায়াম কৰিবা তেহে স্বাস্থ্য ভালে থাকিব ।

১৬।'প্ৰকাশ 'শব্দটো কি উপসৰ্গ যোগ হৈ আছে ?১

(ঘ-অংশ)

১৭।চমু উত্তৰ লিখা----(যিকোনো চাৰিটা) ১×৪=৪

ক।মাধৱদেৱে ক'ত শংকৰদেৱৰ সৈতে মিলিত হয় ?

খ।আজান ফকীৰক ক'ত সংস্থাপিত কৰা হৈছিল ?

গ।মাধৱদেৱৰ বৰগীতৰ মূল ৰস কি ?

ঘ।জিকিৰ সমূহৰ ৰচনা কাল কিমান বুলি ধৰা হৈছে?

ঙ।ভজো মানে কি ?

চ।নামঘোষাৰ আন এটা নাম কি ?

১৮।দুই তিনিশাৰীত উত্তৰ লিখা---(যিকোনো এটা)১×২=২

ক। মাধৱদেৱ ৰচিত নাটসমূহৰ নাম লিখা ।

খ।জিকিৰ শব্দৰ অৰ্থ বিচাৰ কৰা ।

গ।বৰগীতসমূহ ক'ত আৰু কেতিয়া পৰিবেশন কৰা হয় ?

ঘ।মক্কা কি ? মক্কাৰ দুৱাৰত কি ঘাটৰ কথা কোৱা হৈছে ?

১৯।ব্যাখ্যা কৰা--(যিকোনো এটা)১×৪=৪

ক।কৃপাৰ সাগৰ কৃপা কৰা এক বাৰ।
কাতৰ কৰিয়া লৈলো শৰণ তোমাৰ ।।

খ।ৰহমত গিৰিহঁত তুমি আল্লা চাহাব ঐ
যদি কৰা দৰিয়াৰ পাৰ ।

২০। শুদ্ধ উত্তৰ বাছি উলিওৱা---(যিকোনো ৪টা)১×৪=৪
ক।ৰথীন্দ্ৰনাথ গোস্বামীৰ জন্ম কোন চনত-----
১।১৯৫৭ ২।১৯৬৭ ৩। ১৯৭৬
খ। কাঞ্জিভৰাম মন্দিৰত কিমানটা স্তম্ভ আছে---
১।দুহেজাৰটা ২।ডেৰহেজাৰটা ৩। এহেজাৰটা
গ।১৮৯৯ চনত তলত দিয়া কোনজন লেখকৰ জন্ম----
১।ডিম্বেশ্বৰ নেওগ ২।হেম বৰুৱা ৩।নীলমণি ফুকন ঘ। খিতাপ মানে---
১।সন্মান ২। অসন্মান ৩।অপমান
ঙ।কেনেকুৱা শিক্ষা আমাৰ প্ৰয়োজনীয়------
১।হাতে কামে কৰা শিক্ষা । ২।সমাজ আৰু দেশসেৱা কৰা । ৩।লিখা পঢ়া কৰা শিক্ষা
চ।উত্তৰ ভাৰতৰ ভাস্কৰ্যত কিহৰ প্ৰাদুৰ্ভাব সৰহ-----
১।কোণ আৰু সৰল ৰেখাৰ ২।বৃত্ত আৰু বক্ৰৰেখাৰ ৩।বক্ৰৰেখাৰ
২১।দুই তিনি শাৰীত উত্তৰ লিখা---(যিকোনো এটা)১×২=২
ক।ছাত্ৰসকলে সমাজসেৱা কৰোঁতে কি দিশত ধ্যান দিয়া উচিত ?
খ।ইছলামীয় ভাস্কৰ্যৰ মূল সম্পদ কি ?
গ।তেলৰ বাবে চলোৱা খনন কাৰ্যত মাডলগিং আহিলা সমূহৰ ভূমিকা কি ?
২২।ব্যাখ্যা কৰা--- (যিকোনো এটা )১×৪=৪
ক।সাঁতুৰিবলৈ শিকিবলৈ হ'লে পানীত ননমাকৈ নহয়।
খ।ভাৰতৰ বুৰঞ্জী হৈছে ৰাজ্যৰ উত্থান-পতন ভঙা গঢ়াৰ বুৰঞ্জী ।
গ।ইৰাণৰ ভূতত্ত্বৰ বিষয়ে লিখা ।

২০ ।উত্তৰ--ক।১৯৬৭
খ।এহেজাৰটা -
গ।ডিম্বেশ্বৰ নেওগ
ঘ।সন্মান
ঙ।হাতে কামে কৰা শিক্ষা
চ।বৃত্ত আৰু বক্ৰৰেখাৰ

২১।(খ)উত্তৰ--গঠনৰ ফালৰ পৰা সূক্ষ্মতা হৈছে ইছলামীয় ভাস্কৰ্যৰ মৃল সম্পদ।ৰেখাৰ লগত ৰেখাৰ সমন্বয়--ইয়াতকৈ অনাৱশ্যকীয় আৰু একো নাথাকে।জ্যামিতি ছবিবোৰৰ দৰে এইবোৰ সৰল।

২২।(গ)উত্তৰ-- ইৰাণৰ ভূতত্ত্ব প্ৰচুৰ তৈল ভাণ্ডাৰেৰে ভৰপুৰ।ইয়াৰ ভূতত্ত্ব বিভিন্ন যুগৰ বিভিন্ন শিলাত তেল আৰু গেছ পোৱা যায় ।পাৰস্য উপসাগৰ আৰু উত্তৰ -পশ্চিম আহবাজৰ ওচৰে-পাজৰে বহুতো তৈলক্ষেত্ৰ আছে আৰু আনহাতে ইৰাণৰ কেইবাখনো গেছ উৎপাদনকাৰী তৈলক্ষেত্ৰ আছে।পাৰস্য উপসাগৰীয় এলেকাত মধ্যজীৱি মহাকল্পৰ শিলাস্তৰত বৃহৎ পৰিমাণৰ তৈল সম্পদ মজুত আছে।

--------------------

J

Last modified: 10:23 pm